# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-12-2017
**Time :** 0850 Hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত গুজৰাট আৰু হিমাচল প্ৰদেশ বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰম্ভ। ভোটগণনাৰ শেহতীয়া বতৰা অনুসৰি দুয়োখন ৰাজ্যতে কংগ্ৰেছ আৰু বিজেপিৰ মাজত তীব্ৰ প্ৰতিদ্বন্দিতা পৰিলক্ষিত। দুপৰীয়াৰ ভাগলৈ ফলাফল ঘোষণাৰ সম্ভাৱনা।

২। জাতি-ধৰ্ম-ভাষাৰ সমন্বয়ৰে ৰাজ্যবাসীৰ সামাজিক নিৰাপত্তা আৰু উন্নয়নত ৰাজ্য চৰকাৰে গুৰুত্ব দি আহিছে বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ প্ৰকাশ।

৩। অসমৰ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফাৰ কিছু সংখ্যক শিবিৰ এতিয়াও বাংলাদেশত আছে বুলি সীমান্ত নিৰাপত্তা বাহিনীৰ সঞ্চালক প্ৰধান কে কে শৰ্মাৰ প্ৰকাশ।

আৰু

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত শেহতীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাত ভাৰতৰ জয়লাভ।

0000000

ব্যাপক নিৰাপত্তা ব্যৱস্থাৰ মাজত আজি পুৱা ৮ বজাৰ পৰা গুজৰাট আৰু হিমাচল প্ৰদেশ বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰম্ভ হৈছে।

ভোটগণনাৰ প্ৰাৰম্ভিক দিশ অনুসৰি গুজৰাটত ৮৬টা সমষ্টিত বিজেপি, আৰু কংগ্ৰেছ ৫৩টা সমষ্টিত আগবাঢ়ি আছে।

আনহাতে, হিমাচলত ১৫টা সমষ্টিত বিজেপি আৰু কংগ্ৰেছ ১০টা সমষ্টিত আগবাঢ়ি আছে।

ফলাফল লাভ দুপৰীয়াৰ ভাগলৈ কৰাৰ সম্ভাৱনা আছে। গুজৰাট বিধানসভাৰ মুঠ ১৮২ খন আসনৰ বাবে যোৱা ৯ আৰু ১৪ ডিচেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই নিৰ্বাচনৰ ৰাজ্যখনত ৬৮ দশমিক ৪-১ শতাংশ ভোটদাতাই ভোটদান কৰে।

গুজৰাটত সম্পূৰ্ণ নিৰাপত্তা ব্যৱস্থাৰ মাজত ৩৩ খন জিলাৰ ৩৭ টা কেন্দ্ৰত ভোটগণনা কৰা হৈছে। আজি ভোটগণনাৰ ফলাফলত ৰাজ্যখনৰ মুঠ ১৮২ খন আসনৰ বাবে এহেজাৰ ৮২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণিত হব। ১৮২ টা সমষ্টিৰ আটাইকেইচা ই ভি এম পোলিং ডাটা সমূহ এটা কেন্দ্ৰত ভি ভি পেতৰ কাগজসমূহৰ সৈতে ৰিজাই চোৱা হব। বিজেপিয়ে একেৰাহে ছটা কাৰ্যকালৰ বাবে দায়িত্বভাৰ গ্ৰহণৰ আশা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও দুটা দশকৰ পাছত পুনৰবাৰ ক্ষমতালৈ অহাৰ বাবে বিশ্বাস অব্যাহত ৰাখিছে।

আনহাতে হিমাচল প্ৰদেশ বিধানসভাৰ মুঠ ৬৮ টা সমষ্টিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ বাবে ৪২ টা কেন্দ্ৰত ভোটগণনা অব্যাহত আছে। ৯ নৱেম্বৰত অনুষ্ঠিত ভোটগ্ৰহণত ৭৪ দশমিক ৬-১ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। ইপিনে এই নিৰ্বাচনৰ ভি ভি পেত কাগজ সমূহ গণনা কৰাৰ বাবে প্ৰতিটো সমষ্টিৰ পৰা এটাকৈ কেন্দ্ৰ নিৰ্বাচন কৰা

হব। উল্লেখযোগ্য যে -  এইবাৰৰ হিমাচল প্ৰদেশ বিধানসভা নিৰ্বাচনৰ অধিক মহিলাকে ধৰি অভিলেখ সংখ্যক ৭৪ দশমিক ৬-১ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছিল।

০০০০০০০

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে প্ৰকাশ কৰিছে যে - ৰাজ্য চৰকাৰে জাতি-ধৰ্ম-ভাষাৰ সমন্বয়ৰে ৰাজ্যবাসীৰ সামাজিক নিৰাপত্তা আৰু উন্নয়নত গুৰুত্ব দি কাম কৰি আহিছে। অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ উদ্যোগত কালি গুৱাহাটীৰ ডবস্ক' স্কুল প্ৰাঙ্গনত আয়োজিত প্ৰাক বৰদিন অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই দৰে প্ৰকাশ কৰে। ৰাজ্যত বসবাস কৰা কোনো লোকে কোনো বিষয়তে শংকিত হোৱাৰ কোনো কাৰণ নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে - আধ্যাত্মিক অনুষ্ঠানসমূহৰ জৰিয়তে মানৱীত চেতনা জাগ্ৰত কৰি জনসাধাৰণক শান্তিৰ পথত উদ্বুদ্ধ কৰিব লাগিব। যীশুখৃষ্টৰ মানৱতাৰ মহান বাণীৰে অগ্ৰসৰ হৈ সমাজত সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন সুদৃঢ় কৰিব লাগিব বুলি তেওঁ কয়। পণ্ডিত দীনদয়াল উপাধ্যায়ে দেখুৱাই থৈ যোৱা একাত্মক মানৱতাবোধৰ দৰ্শনেৰে সমাজ গঢ় দিব পাৰিলে, সমাজত বৈষম্যৰ সৃষ্টি নহয়।

০০০০০০০

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে যে - ভাষা-সাহিত্য আৰু সংস্কৃতিয়ে মানুহৰ আত্মিক সংযোগ সাধন কৰে। ভাৰতীয় সংস্কৃতিয়ে আমাক স-হৃদয়তাৰে আগবাঢ়ি যোৱাৰ প্ৰেৰণা যোগাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে - বিভিন্ন জাতি-জনগোষ্ঠীৰ উপাদানেৰে মহামিলনৰ সংস্কৃতি গঢ়ি উঠিছে। গুৱাহাটীত কালি মিথিলা সাংস্কৃতিক সমন্বয় সমিটিৰ উদ্যোগ আয়োজিত বিদ্যাপতি স্মৃতিপৰ্ব সমাৰোহত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যত অহা ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশ পাবলগীয়া ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী চমুকৈ এন আৰ চিৰ খচৰাৰ পৰিপ্ৰেক্ষিতত আৰু শেহতীয়া আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কত কালি আৰক্ষীৰ এখন গুৰুত্বপূৰ্ণ বৈঠক বিস্তৃতভাৱে আলোচনা কৰা হয়। অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান কুলধৰ শইকীয়া আৰু গুৱাহাটীৰ আৰক্ষী আয়ুক্তৰ উপৰিও আৰক্ষী অধীক্ষকসকল আৰু গুৱাহাটীৰ আটাইবোৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকল এই বৈঠকত উপস্থিত থাকে। বৈঠকত অঞ্চলটোৰ শেহতীয়া আইন-শৃংখলা পৰিস্থিতি বিশেষকৈ এন আৰ চিৰ খচৰা প্ৰকাশৰ সময়ছোৱাত যিকোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি যাতে সৃষ্টি নহয় তাৰবাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ সম্পৰ্কত বৈঠকত বিশেষভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে দেশৰ আগন্তুক গণৰাজ্য দিৱস আৰু ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ সন্মিলনৰ কালছোৱাত গ্ৰহণ কৰিবলগীয়া বিশেষ সুৰক্ষামূলক ব্যৱস্থাসমূহক লৈ বিশেষভাৱে আলোচনা কৰা হৈছে।

০০০০০০০

সীমান্ত নিৰাপত্তা বাহিনী চমুকৈ বি এছ এফৰ সঞ্চালক প্ৰধান কে কে শৰ্মাই কৈছে যে অসমৰ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফাৰ কেইবাটাও শিবিৰ এতিয়াও বাংলাদেশত আছে। সংবাদ মাধ্যমৰ মুখামুখি হৈ সঞ্চালক প্ৰধান শ্ৰীশৰ্মাই কয় যে দেশখনত ইতিমধ্যে উত্তৰ-পূবৰ লগতে ভাৰতৰ অন্যান্য স্থানৰ উগ্ৰপন্থী সংগঠনৰ শিবিৰৰ সংখ্যা হ্ৰাস পাইছে। তেওঁৰ মতে বাংলাদেশৰ দুখন জিলাত এতিয়াও আলফাৰ শিবিৰ আছে।

০০০০০০০

## ***Newspaper Review***

ঘন কুঁৱলীৰ বাবে কালি সমগ্ৰ দিন লক্ষিমপুৰৰ লীলাবাৰী বিমান কোঠত আবদ্ধ হৈ থাকিবলগীয়া হয় অসম আৰু অৰুণাচল ভ্ৰমণলৈ অহা বৰ্ষীয়ান গান্ধীবাদী নেতা আন্না হাজাৰে। এই বাতৰিক দৈনিক অসমত- বিমান কোঠতে আবদ্ধ হৈ ৰ'ল আন্না শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। ৰাজ্যৰ শিক্ষা বিভাগৰ এটা বাতৰিক অসমীয়া প্ৰতিদিনত- ১৪ বছৰে কৰ্মৰত শিক্ষকক অযোগ্য ঘোষণা শিৰোনামেৰে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে। নিয়মীয়া বাৰ্তাৰ মুখ্য বাতৰিৰ শিৰোনাম- ধনশিৰিৰ ২৫ হাজাৰ হেক্টৰ ভূমি বেদখল। নাগৰিকত্ব আইনৰ সন্দৰ্ভত ১৬ বছৰত অদৃশ্য ৩৮ হাজাৰ বাংলাদেশী শিৰোনামেৰে মুখ্য বাতৰি পৰিৱেশণ কৰিছে অসমীয়া খবৰ কাকতে। হিন্দু বাংলা দেশীক লৈ চৰকাৰৰ ২ অংশীদাৰ দলৰ মাজত হোৱা মতানৈক্যৰ বাতৰিক দৈনিক জনমভূমিত অগপ-বিজেপিৰ স্পষ্ট মতবিৰোধ

শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। কানাডাৰ এটা সংবাদ প্ৰতিষ্ঠানৰ ভৱিষ্যৎবাণীক লৈ ভাৰতত অবৈধ বাংলাদেশীৰ অৱস্থা ম্যানমাৰৰ ৰোহিঙীয়াৰ দৰেই হ'ব শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে আমাৰ অসম কাকতে। দৈনিক অগ্ৰদূতৰ মুখ্য বাতৰিৰ শিৰোনাম- গ্ৰাম্যপথ নিৰ্মাণত অসমক মাধমাৰ। গুজৰাট-হিমাচল প্ৰদেশৰ ভোটগণনাৰ বাতৰিক সকলো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজিৰ অন্যান্য বাতৰিৰ ভিতৰত আছে- অসমত আধাৰ কাৰ্ডৰ নামত ব্যাপক জালিয়াতি, জম্মু-কাশ্মীৰত প্ৰচণ্ড শীত, অভিনেত্ৰী চেতনা দাসক আইদেউ সন্দিকৈ বঁটা প্ৰদান, পাকিস্তানত আইছিছৰ আত্মঘাতী আক্ৰমণত নিহত ৮, কৰিমগঞ্জৰ বাগিচাত বাংলাদেশী দুৰ্বৃত্তৰ তাণ্ডৱ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

লোক সংস্কৃতিৰ যশস্বী গৱেষক - লেখক তীৰ্থ ফুকনৰ যোৱা নিশা প্ৰায় ৮ বাজি ২৫ মিনিটত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ। তেওঁ গুৱাহাটীৰ ৰায়াৰলেছত থকা পুত্ৰৰ বাসগৃহত আছিল আৰু তাতেই শেষ নিশ্বাস ত্যাগ কৰে। ৰাজ্যৰ ভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা অলেখ বিহুনাম তেওঁৰ কণ্ঠস্থত আছিল। শিৱসাগৰৰ লাইচেং গাঁৱত ১৯৪২ চনত জন্মগ্ৰহণ কৰা তীৰ্থ ফুকনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে নতুন দিল্লীৰ ইন্সটিটিউট অব মাছ কমিউনিকেছন্সৰ পৰা সম্পাদনাৰ ডিপ্লমা লাভ কৰিছিল। অৰুণাচলত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা ফুকনে ১৯৬৭ চনত অসম তথ্য সেৱাত যোগ দিয়ে আৰু তথ্য আৰু জনসংযোগ বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০০০ চনত অৱসৰ গ্ৰহণ কৰিছিল।

0000000

লখিমপুৰ জিলাৰ ঘিলামৰা নিবাহী, সৰবৰহী, সংস্কৃতিবান আৰু বিশিষ্ট সমাজকৰ্মী মহিলা জয়ন্তী দাসৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৭৫ বছৰ।

0000000

ভাৰত আৰু শ্ৰীলংকাৰ মাজত শেহতীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা ভাৰতে ২-১ ৰ ব্যৱধানত নিজৰ দখললৈ আনিবলৈ সক্ষম হৈছে। কালি বিশাখাপট্টনমত অনুষ্ঠিত তৃতীয় তথা চুড়ান্ত খেলখনত ঘৰুৱা দলটোৱে শ্ৰীলংকাক্ ৮ উইকেটত পৰাজিত কৰে। কালিৰ খেলখনত ভাৰেত ৩২ অ'ভাৰ আৰু এটা বলত দুটা উইকেটৰ বিনিময়ত ২১৯ ৰাণ সংগ্ৰহ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত কৰি দিয়া ২১৬ ৰানৰ বিজয়লক্ষ্য অতিক্ৰম কৰে।

0000000

বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগজাননী অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰায়বোৰ ঠাইৰে আকাশ আংশিকভাৱে মেঘাচ্ছন্ন হৈ থাকি পুৱা-গধূলি ঘন কুঁৱলি পৰিব। এই সময়ছোৱাত অঞ্চলটোৰ তাপমাত্ৰা সৰ্বোচচ ২৭ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী চেলচিয়াচৰ আশে পাশে থকাৰ সম্ভাৱনা আছে।

0000000

**সমাপ্ত**